**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 03**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদত গৃহীত জনবিশ্বাস সংশোধনী বিধেয়কে দেশত ব্যৱসায় আৰু জীৱন ধাৰণ সূচল কৰি তোলাত সহায় কৰিব বুলি মন্তব্য কৰিছে।

২।	প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিম এছিয়াৰ পৰিস্থিতি অহৰ্নিশে নিৰীক্ষণ কৰাৰ আৰু বিষয়টোৰ প্ৰতি সু-পৰিকল্পিত সঁহাৰিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৩।	অসমৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৪।	ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে শান্তিপূৰ্ণভাৱে পশ্চিম এচিয়াৰ সংঘৰ্ষৰ অৱসানৰ বাবে আহ্বান জনাইছে।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ৬৫ ৰানত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে জন বিশ্বাস সংশোধনী বিধেয়ক ২০২৬ সংসদত গৃহীত হোৱাৰ পাছত দেশত নাগৰিকৰ জীৱনশৈলী সহজ হোৱাৰ লগতে ব্যৱসায়-বাণিজ্যক উল্লেখনীয় সকাহ প্ৰদান কৰিব। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে এই বিধেয়কখনে নাগৰিকক ক্ষমতা প্ৰদান কৰা আস্থাভিত্তিক কাঠামোক শক্তিশালী কৰিব আৰু বিধেয়কখনে পুৰণি নীতি নিয়মসমূহ আঁতৰাই পেলাব। শ্ৰী মোদীয়ে উল্লেখ কৰে যে ইয়াৰ দ্বাৰা গোচৰসমূহৰ ক্ষিপ্ৰ নিষ্পত্তিও নিশ্চিত হ'ব আৰু অপৰাধমুক্তকৰণৰ জৰিয়তে বিবাদৰ পৰিমাণ যঠেষ্ট হ্ৰাস পাব। তেওঁ লগতে বিধেয়কখনৰ খচৰা প্ৰস্তুতৰ সৈতে জড়িত ব্যক্তিসকল আৰু সংসদত সমৰ্থন আগবঢ়োৱা সাংসদসকলৰ শলাগ লয়। কালি ৰাজ্যসভাই অনুমোদন জনোৱাৰ পাছতেই সংসদত জন বিশ্বাস সংশোধনী বিধেয়ক গৃহীত হয়। বুধবাৰে লোকসভাত বিধেয়কখন পাৰিত হৈছিল। এই বিধেয়কখনে লঘু অপৰাধক নিস্পত্তি কৰিব আৰু অপৰাধৰ সমানুপাতিক জৰিমনা আৰু শাস্তিৰ

সংশোধনৰ দৰে ব্যৱস্থা ৰূপায়ণ কৰিব। বিধেয়কখনত ২৩টা মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত ৭৯খন কেন্দ্ৰীয় আইন সংশোধন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত ৰাছিয়াৰ প্ৰথম উপ-প্ৰধানমন্ত্ৰী ডেনিছ মণ্টুৰ'ভক সাক্ষাৎ কৰে। সাক্ষাৎকালত নেতা দুগৰাকীয়ে বাণিজ্য, সাৰ, যোগাযোগ আৰু জনসম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত পৰস্পৰৰ বাবে লাভদায়ক সহযোগিতাৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বৈঠকৰ অন্তত সামাজিক মাধ্যমযোগে কয়, যে যোৱা ডিচেম্বৰত ৰাষ্ট্ৰপতি পুটিনৰ ভাৰত ভ্ৰমণৰ সময়ত অনুষ্ঠিত ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনৰ ফলাফলসমূহৰ ৰূপায়ণৰ বাবে দুয়ো পক্ষই চলোৱা নিৰন্তৰ প্ৰয়াসৰ প্ৰতি তেওঁ আদৰণি জনায়।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু অভ্যাগত উপ-প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি দিল্লীত অনুষ্ঠিত এখন বৈঠকত পশ্চিম এচিয়াৰ সংঘাতকে ধৰি বিভিন্ন আঞ্চলিক আৰু গোলকীয় ঘটনাক্ৰমক লৈ মত বিনিময় কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয়, যে তেওঁলোকে বাণিজ্য, উদ্যোগ, শক্তি, সাৰ আৰু যোগাযোগ সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰি দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ বিষয়ে বিষদভাৱে আলোচনা কৰে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিম এছিয়াৰ পৰিস্থিতি অহৰ্নিশে নিৰীক্ষণ কৰাৰ আৰু বিষয়টোৰ প্ৰতি সু-পৰিকল্পিত সঁহাৰিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত কালি অনানুষ্ঠানিক মন্ত্ৰীগোটৰ দ্বিতীয়লানি বৈঠকত অধ্যক্ষতা কৰি শ্ৰী সিঙে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অনানুষ্ঠানিক মন্ত্ৰীগোটক পশ্চিম এচিয়াৰ সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে জনোৱা হৈছে। বৈঠকত সচিবসকলৰ সাতটা ক্ষমতাপ্ৰাপ্ত গোটে পৰিস্থিতিৰ জোৰা মৰাৰ বাবে লোৱা পদক্ষেপৰ বিষয়ে অৱগত কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এনে পদক্ষেপৰ বাবে বস্ত্ৰ, পেকেজিং আৰু ভেষজ খণ্ডৰ ওপৰত ব্যয়জনিত হেঁচা হ্ৰাস পাব আৰু যোগান শৃংখলাৰ সুস্থিৰতা সুনিশ্চিত হ'ব তথা বিনিয়োগ কৰিব বিচৰাসকলৰ বাবে স্থিতি স্পষ্ট হৈ পৰিব বুলি প্ৰকাশ কৰে। বৈঠকত মন্ত্ৰীগোটক ৰন্ধন গেছৰ বিতৰকসকললৈ যোগান বন্ধ হোৱাৰ কোনো বাতৰি পোৱা হোৱা নাই আৰু ঘৰুৱা ৰন্ধন গেছৰ নাটনি হোৱা নাই। বৈঠকত লগতে সংঘৰ্ষৰ ফলত পৰিব পৰা বিৰূপ প্ৰভাব দূৰ কৰাৰ বাবে চৰকাৰে ল'বলগীয়া পৰৱৰ্তী পদক্ষেপ সম্পৰ্কেও আলোচনা কৰে। উল্লেখযোগ্য যে, পশ্চিম এচিয়াৰ শেহতীয়া পৰিস্থিতি নিৰীক্ষণ কৰাৰ বাবে অনানুষ্ঠানিক মন্ত্ৰীগোট গঠন কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী, শক্তি মন্ত্ৰী মনোহৰ লাল, নতুন আৰু নৱীকৰণ যোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশী, বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে বৈঠকত অংশগ্ৰহণ কৰে।

০০০০

অসমৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে লগতে গোৱালপাৰা জিলাৰ দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীও কালি পলাশবাৰী আৰু মধ্য গুৱাহাটীত প্ৰচাৰ চলায়।

একেদৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে কাৰ্বি আংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বোকাজানত নিৰ্বাচনী সভাত কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে তেওঁৰ দল পুনৰ ক্ষমতালৈ আহিলে কাৰ্বি আংলঙত ২৪৪(ক) অনুচ্ছেদ কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে শান্তিপূৰ্ণভাৱে পশ্চিম এচিয়াৰ সংঘৰ্ষৰ অৱসানৰ বাবে আহ্বান জনাইছে। শ্ৰী গুটেৰেছে কালি নিউয়ৰ্কত নিৰাপত্তা পৰিষদৰ কাৰ্যালয়ৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলক যুদ্ধ বন্ধ কৰিবলৈ স্পষ্ট বাৰ্তা দিয়ে। তেওঁ লগতে ইৰানকো চুবুৰীয়া ৰাষ্ট্ৰৰ ওপৰত চলোৱা আক্ৰমণ বন্ধ কৰিবলৈ আহ্বান জনায়। শ্ৰী গুটেৰেছে কয়, যে নেতাসকলে বিনাশৰ পৰিৱৰ্তে আলোচনাৰ পথ বাচি ল'লে যুদ্ধৰ অৱসান ঘটে। আলোচনাৰ পথ এতিয়াও মুকলি আছে বুলি তেওঁ মন্তব্য কৰে। সচিবপ্ৰধান গৰাকীয়ে কয়, যে পশ্চিম এছিয়াৰ সংঘৰ্ষ অব্যাহত আছে আৰু জনসাধাৰণ সন্মুখীন হোৱা দুখ-কষ্টও বৃদ্ধি পাইছে।

শ্ৰী গুটেৰেছে এই সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধানৰ বাবে আলোচনা আৰু কূটনীতিত বিশেষ গুৰুত্ব আৰোপ কৰিছে। শান্তিৰ পথ অন্বেষণৰ বাবে কূটনৈতিক প্ৰচেষ্টা অব্যাহত আছে বুলি উল্লেখ কৰি সচিব প্ৰদানগৰাকীয়ে কয়, যে বিবাদসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰা উচিত আৰু সকলো সদস্য ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব তথা ভৌগোলিক অখণ্ডতাৰ প্ৰতি সন্মান কৰা উচিত।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিশাখাপট্টনমত আধুনিক যুদ্ধজাঁহাজ 'তৰাগিৰি'ৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে কয় যে এই পদক্ষেপৰ জৰিয়তে ভাৰতৰ পূব খণ্ডত কৌশলগত আৰু সামুদ্ৰিক গুৰুত্বৰ ওপৰত আলোকপাত কৰা হৈছে। এই পদক্ষেপে দেশৰ নৌসেনাৰ যুদ্ধৰ প্ৰস্তুতি আৰু কাৰ্যকৰী শক্তিক অধিক বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ ধাৰণাক প্ৰতিফলিত কৰিছে।

০০০০০

পশ্চিম এছিয়াৰ যুদ্ধৰ মাজতে ৰন্ধন গেছৰ সংকটৰ বাবে খোৱাবস্তুৰ অভাৱত মিৰাণ্ডা হাউছৰ শিক্ষাৰ্থীসকলে ছাত্ৰাবাস কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে বুলি ইণ্টাৰনেট যোগে প্ৰচাৰিত এটা ভিডিঅ' চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰ্মেচন ব্যুৰ'ৰ তথ্য পৰীক্ষা গোটে এই বাতৰিক বিভ্ৰান্তিকৰ বুলি অভিহিত কৰিছে। গোটটোৱে লগতে ছাত্ৰাবাসৰ ৰান্ধনীশালত পাইপযোগে গেছ যোগানৰ ব্যৱস্থা আছে আৰু মহাবিদ্যালয় চৌহদসমূহত ৰন্ধন গেছৰ নাটনি হোৱা নাই বুলি স্পষ্ট কৰি দিছে। প্ৰেছ ইনফৰ্মেচন ব্যুৰ'ই জনসাধাৰণক তথ্যৰ বাবে আনুষ্ঠানিক আৰু নিৰ্ভৰযোগ্য সূত্ৰৰ ওপৰতহে ভৰসা কৰিবলৈ আৰু কোনো বাতৰি শ্বেয়াৰ কৰাৰ পূৰ্বে ইয়াৰ সত্যাসত্য পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিছে।

০০০০

চত্তিশগড়ত অনুষ্ঠিত খেল' ইণ্ডিয়া জনজাতিয় ক্ৰীড়া মহোৎসৱৰ আজি সামৰণি পৰিব। প্ৰতিযোগিতাৰ আজি অন্তিম দিনা পশ্চিমবংগ আৰু চত্তিশগড়ৰ মাজত পুৰুষৰ ফুটবলৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ৰায়পুৰত সন্ধিয়া হ'বলগীয়া সামৰণি অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিষ্ণু দেঅ' ছাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় বক্সাৰ মেৰিকম আৰু আগশাৰীৰ ফুটবল খেলুৱৈ বাইচুং ভূটীয়াই বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

কৰ্ণাটকে ২৩ সোণৰ পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাত শীৰ্ষ স্থান লাভ কৰিছে। ওড়িশাই ২০ টা সোণৰ পদকেৰে দ্বিতীয় আৰু ঝাৰখণ্ডে ১২ টা সোণৰ পদকেৰে তৃতীয় স্থান লাভ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ৬৫ ৰানত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে ২২৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰত ১৬১ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ইয়াৰ পূৰ্বে হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২২৬ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ হেণ্ড্ৰিক ক্লাছেনে ৩৫ টা বলত ৫২ ৰান আৰু অংগকৃশ ৰঘুবংশিয়ে ২৯ টা বলত ৫২ ৰানৰ অৱদান আগবঢ়ায়।

কলকাতাৰ হৈ ২৪ টা বলত ৩৯ ৰান কৰা আৰু দুটা উইকেট দখল কৰা নীতিশ কুমাৰ ৰেড্ডীক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ